**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 16-03-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
**::::::::::::::::::::::::::::::::::::::::**

## Headlines

১। নিৰ্বাচনী আয়োগৰ আজি বিয়লি ৩ বজাত লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা।

২। কেন্দ্ৰই ব্ৰহ্মপুত্ৰত ৬৪৫ কোটি টকা ব্যয় সাপেক্ষ ১০ টা জল পৰিবহণ প্ৰকল্পৰ অনুমোদন দিয়াৰ কথা ঘোষণা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ।

৩। অসম মেঘালয় সীমান্তৰ ৬ টা বিবদমান স্থানত ছাৰ্ভে অব ইণ্ডিয়াৰ জৰীপ।

৪। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ এপযেক যোৱা বিকাশ যাত্ৰাৰ সামৰণি।

*আৰু*

৫। মুম্বাই ইণ্ডিয়ানছক ৫ ৰানত পৰাস্ত কৰি মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত স্থান নিশ্চিত ৰয়েল ছেলেঞ্জাৰ্চ বাংগালোৰৰ।

০০০০০০০

নিৰ্বাচনী আয়োগে আজি বিয়লি ৩ বজাত এক সংবাদমেল যোগে ২০২৪ৰ লোকসভা নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। লগতে অৰুণাচল প্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, ছিক্কিম আৰু ওড়িযাৰো নিৰ্বাচনৰ সূচী ঘোষণা কৰিব। ১৬ জুনত বৰ্তমান লোকসভাৰ কাৰ্যকালৰ অন্ত পৰিব। ২০১৯ চনত এপ্ৰিলৰ পৰা মে'ৰ ভিতৰত মুঠ ৭ টা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হৈছিল। এইবাৰো এপ্ৰিলৰ পৰা মে'ৰ ভিতৰত কেইবাটাও পৰ্যায়ত লোকসভা নিৰ্বাচন সম্পন্ন হোৱাৰ সম্ভাৱনা আছে।

যোৱাবাৰৰ লোকসভা নিৰ্বাচনত বিজেপিয়ে দেশৰ ৫৪৩ খন সংসদীয় আসনৰ ভিতৰত ৩০৩ খন আসন হস্তগত কৰি বিপুল বিজয় সাব্যস্ত কৰিছিল। এইবেলি বিজেপিয়ে ৩৭০ খন আসনত জয়লাভ কৰাৰ লক্ষ্য স্থিৰ কৰিছে। বৰ্তমানলৈকে দলটোৱে আসন্ন লোকসভা নিৰ্বাচনৰ বাবে ২৬৭ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। আনহাতে, প্ৰধান বিৰোধী দল কংগ্ৰেছে এতিয়ালৈকে ৮২ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বাওঁ দল, তৃণমূল কংগ্ৰেছ, আম আদমি পাৰ্টী আৰু আন কিছুমান দলেও কেইবাখনো লোকসভা আসনৰ বাবে দলীয় প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে।

০০০০০০০০

কেন্দ্ৰীয় জাহাজ পৰিবহন আৰু বন্দৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কেন্দ্ৰই ব্ৰহ্মপুত্ৰত ৬৪৫ কোটি টকা ব্যয় সাপেক্ষ ১০ টা জল পৰিবহণ প্ৰকল্পৰ অনুমোদন দিয়াৰ কথা ঘোষণা কৰিছে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে সাগৰ মালা ধবজাবাহী প্ৰকল্পৰ অধীনত অসমৰ বাবে বৃহৎ এই প্ৰকল্পৰ অুমোদন দিয়া বুলি প্ৰকাশ কৰে। এই প্ৰকল্প কেন্দ্ৰৰ এশ শতাংশ পুঁজিৰে ৰূপায়ণ কৰা হ'ব। ব্ৰহ্মপুত্ৰৰ জলপথৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে এই পুঁজি ব্যয় কৰা হ'ব। এই প্ৰকল্পৰ অধীনত ধুবুৰী, মাজুলী, নৰ্থ লখিমপুৰ, বৰপেটাত ব্ৰহ্মপুত্ৰৰ জলপথেৰে যাতায়াত সুগম কৰি তোলাৰ বাবে কেইবাটাও টাৰ্মিনেল নিৰ্মাণ কৰা হ'ব। গোৱালপাৰা, গুইজান, কুৰুৱা, ধুবুৰী,

দিচাংমুখ, মাতমৰাতো অতিৰিক্ত টাৰ্মিনেল নিৰ্মাণ কৰা হ'ব। এই ১০টা প্ৰকল্পই ব্ৰহ্মপুত্ৰত নদী পৰ্যটনৰ ক্ষেত্ৰত নতুন দিগন্তৰ সূচনা কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০

অসম মেঘালয় সীমান্তৰ ৬ টা বিবদমান স্থানত ছাৰ্ভে অব ইণ্ডিয়াই জৰীপ চলাই আছে। অসম আৰু মেঘালয় চৰকাৰৰ মাজত সম্পাদিত বুজাবুজিৰ চুক্তিৰ ভিত্তিত ছাৰ্ভে অব ইণ্ডিয়াই এই জৰীপ চলাইছে। উল্লেখ্য যে অসম-মেঘালয় সীমান্তৰ মুঠ ১২ টা স্থানক লৈ  বিবাদ আছে। বিগত কেইবা দশক ধৰি চলি থকা এই বিবাদ শান্তিপূৰ্ণভাৱে নিস্পত্তি কৰাৰ লক্ষ্যৰে দুয়োপক্ষই সীমান্তত ছাৰ্ভে অব ইণ্ডিয়াৰ জৰিয়তে জৰীপ চলোৱাৰ পোষকতা কৰিছিল। এই লক্ষ্যৰে অসম আৰু মেঘালয় চৰকাৰে এখন কমিটিও গঠন কৰি দিছে। সীমান্তৰ ৬টা স্থান ক্ৰমে তাৰাবাৰী, গিজাং, হাহিম, বকলাপাৰা, পিলিংকাটা, ৰাটাছাৰাত ইতিমধ্যে কমিটিখনে জৰীপ চলাই প্ৰতিবেদন দাখিল কৰিছে।

দুয়োখন ৰাজ্যৰ মন্ত্ৰী পৰ্যায়ৰ কমিটিৰ প্ৰতিবেদনৰ পাছত কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ উপস্থিতিত ২০২২ চনৰ ২৯ মাৰ্চত বুজাবুজিৰ চুক্তি স্বাক্ষৰ হৈছিল। এই চুক্তিখনে অসম-মেঘালয় সীমান্তৰ বিবাদ নিস্পত্তি কৰাৰ পথ প্ৰশস্ত কৰে। ইতিমধ্যে ছাৰ্ভে অব ইণ্ডিয়াই এলেকাটোত জৰীপ চলাই অতি শীঘ্ৰে প্ৰতিবেদন দাখিল কৰাৰ সম্ভাৱনা আছে।

০০০০০০০০

নাগৰিকত্ব সংশোধনী আইনৰ বিধিকলৈ অহা ২৯ মাৰ্চত উচ্চতম ন্যায়ালয়ে শুনানি গ্ৰহণ কৰিব। মুখ্য ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড় নেতৃত্বাধীন বিচাৰপীঠে **কা** বিধিৰ ওপৰত স্থগিতাদেশ বিচাৰি কৰা আবেদনসমূহক লৈ এই শুনানি গ্ৰহণ কৰিব। উল্লেখ্য যে **কা**ৰ বৈধতাক প্ৰত্যাহ্বান জনাই সৰ্বোচ্চ ন্যায়ালয়ত ২৩৭ খন আবেদন দাখিল কৰা হৈছে। ইণ্ডিয়ান ইউনিয়ন মুছলিম লীগকে ধৰি অসম বিধানসভাৰ বিৰোধী দলপতি তথা কংগ্ৰেছ নেতা দেৱব্ৰত শইকীয়া, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ, সদৌ অসম ছাত্ৰ সন্থায়ো কাক প্ৰত্যহ্বান জনাই উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছে।

০০০০০০০০০

অসম লোকসেৱা আয়োগৰ চলিত বৰ্ষৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰম্ভিক পৰীক্ষা অহা ১৮ মাৰ্চত অনুষ্ঠিত হ'ব। ৰাজ্যখনৰ অন্যান্য কেন্দ্ৰৰ লগতে লখিমপুৰ জিলাৰ উত্তৰ লখিমপুৰ মহাবিদ্যালয়, লখিমপুৰ বাণিজ্য মহাবিদ্যালয় আৰু লখিমপুৰ বালিকা মহাবিদ্যালয়ত স্থাপন কৰা কেন্দ্ৰটোত এই পৰীক্ষা পুৱা ১০ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ আৰু আবেলি ২ বজাৰ পৰা ৪ বজালৈ অনুষ্ঠিত হ'ব। এই পৰীক্ষা স্বচ্ছ আৰু নিকা তথা সুকলমে অনুষ্ঠিত কৰিবলৈ লখিমপুৰ জিলা প্ৰশাসনৰ দ্বাৰা জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ বিভাগৰ কাৰ্যালয়ত এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। নিয়ন্ত্ৰণ কক্ষৰ ফোন নম্বৰ হৈছে– ০৩৭৫২ ২৪৫৭৬১ আৰু ৬০০০১৪৪৬২৪। পৰীক্ষাৰ দিনা ৭ বজাৰ সন্ধিয়া ৬ বজালৈ অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা সন্দৰ্ভত যোগাযোগ কৰিব পাৰিব।

০০০০০০০০০

গুণোৎসৱ ২০২৪ৰ ফলাফলত ৰাজ্যৰ আটাইবোৰ জিলাৰ ভিতৰত শিৱসাগৰ জিলাই শীৰ্ষস্থান লাভ কৰিছে। অৱশ্যে সৰ্বাধিক সংখ্যক বিদ্যালয় এ প্লাছ গ্ৰেড লাভ কৰা জিলাখন হৈছে কাছাৰ। কাছাৰৰ মুঠ এহেজাৰ ৮৩২ খন বিদ্যালয়ৰ ভিতৰত ৮১৬ খনে এ প্লাছ গ্ৰেড লাভ কৰিছে। ৭২৪ খন বিদ্যালয়ে পাইছে এ গ্ৰেড। অৱশ্যে জিলা ভিত্তিত কাছাৰৰ স্থান ১৩ নম্বৰত আছে। শিৱসাগৰ জিলাৰ ৭০০ খন বিদ্যালয়ৰ ভিতৰত

৪৩২ খন এ প্লাছ আৰু ৪৪৩ খনে এ গ্ৰেড লাভ কৰিবলৈ সক্ষম হৈছে। আনহাতে জিলা ভিত্তিত দ্বিতীয় স্থান অৰ্জন কৰা ডিব্ৰুগড়ৰ মুঠ এহেজাৰ ১৭২ খন বিদ্যালয়ৰ ভিতৰত ৬৬৬ খনে এ প্লাছ গ্ৰেড আৰু ৪৫০ খনে এ গ্ৰেড লাভ কৰে। জিলাভিত্তিত তৃতীয় স্থান লাভ কৰা যোৰহাটৰ ৭৭৩ খন বিদ্যালয়ৰ ভিতৰত ৪২২ খনে এ প্লাছ গ্ৰেড লাভ কৰিছে। চতুৰ্থ স্থানত মৰিগাঁও জিলা আছে। আনহাতে ধুবুৰী জিলাই পঞ্চম স্থান অধিকাৰ কৰিছে।

৫ শতাধিক বিদ্যালয় এ প্লাছ গ্ৰেড লাভ কৰা জিলা কেইখন হ'ল ঃ বৰপেটা, গোলাঘাট, কামৰূপ, কৰিমগঞ্জ, নগাওঁ আৰু তিনিচুকীয়া। ইফালে এ প্লাছ গ্ৰেড কম সংখ্যক প্ৰাৰ্থীয়ে লাভ কৰা জিলা কেইখন হৈছে ঃ ডিমা হাচাও, চিৰাং, পশ্চিম কাৰ্বি আংলং, দক্ষিণ শালমৰা, মানকাচৰ আৰু কাৰ্বি আংলং।

০০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শুকুৰবাৰে এখন সংবাদমেলত  নৰেন্দ্ৰ মোদী তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী হ'ব বুলি আশা প্ৰকাশ কৰে। গুৱাহাটী মহানগৰীৰ দলীয় কাৰ্যালয়ত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে যে বিগত সময়ছোৱাত প্ৰধানমন্ত্ৰী মোদী ২৭ বাৰ অসমলৈ আহিছে। অসমৰ উন্নয়নৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীয়ে বিশেষ গুৰুত্ব আৰোপ কৰা বুলিও মন্তব্য কৰে। এইবাৰো নৰেন্দ্ৰ মোদী প্ৰধানমন্ত্ৰী হ'ব বুলি দোহাৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এই ক্ষেত্ৰত অসমে বিশেষ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে।

০০০০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ এপষেক যোৱা বিকাশ যাত্ৰাৰ শুকুৰবাৰে সামৰণি পৰে। যোৱা ২৯ ফেব্ৰুৱাৰীৰ পৰা ১৫ মাৰ্চলৈকে বিকাশ যাত্ৰাৰ সময়ছোৱাত ৰাজ্যৰ সামগ্ৰীক বিকাশ আৰু উন্নয়নৰ বাবে সৰ্বমুঠ ২৩ হাজাৰ কোটি টকাৰো অধিক বিভিন্ন উন্নয়নমূলক প্ৰকল্প উদ্বোধন, শিলান্যাস আৰু ভূমি পূজন সম্পন্ন কৰা হয়। ৰাজ্যৰ প্ৰতিখন জিলাক সামৰি আৰম্ভ কৰা বিকাশ যাত্ৰাত মুখ্যমন্ত্ৰীক সংগ দিছিল মন্ত্ৰী আৰু বিধায়কে। এপষেক যোৱা এই বিকাশ যাত্ৰাৰ সময়ছোৱাত উদ্বোধন কৰা হয় পাঁচ হাজাৰ ২০০ কোটি ব্যয় সাপেক্ষ ৯২৫টা প্ৰকল্পৰ। বিকাশ যাত্ৰাত ৪ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষে ৬২টা প্ৰকল্পৰ ভূমি পূজন কৰা হয়। ইয়াৰ উপৰি এহেজাৰ ৬৯টা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰা হয়। এই প্ৰকল্পসমূহৰ বিপৰীতে ব্যয় ধাৰ্য কৰা হৈছে ৮ হাজাৰ ৭০০ কোটি টকা। বিকাশ যাত্ৰা সন্দৰ্ভত শুকুৰবাৰে মুখ্যমন্ত্ৰীয়ে অসমক দেশৰ অন্যতম শ্ৰেষ্ঠ ৰাজ্য হিচাপে নিৰ্মাণ কৰাৰ প্ৰতিশ্ৰুতি দিয়ে।

০০০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কিছু সময় পিছতেই কামৰূপ মহানগৰ জিলাৰ সোণাপুৰত এটা উৎকৰ্যতাৰ কেন্দ্ৰ উদ্বোধন কৰিব। অসম পৰ্যটন উন্নয়ন নিমগ, দক্ষতা বিকাশ আৰু উদ্যমিতা মন্ত্ৰালয়, ইণ্ডিয়ান হোটেলছ আৰু টাটা ষ্ট্ৰাইভৰ যুটীয়া পদক্ষেপত সোণাপুৰত আতিথ্য দক্ষতাৰ বিকাশৰ অৰ্থে এই কেন্দ্ৰটো স্থাপন কৰা হৈছে।

০০০০০০০০০

নিৰ্বাচনৰ সময়সূচী জাৰি হোৱাৰ লগে লগে দেশৰ অন্যান্য প্ৰান্তৰ লগতে কৰিমগঞ্জ জিলাতো নিৰ্বাচনী আচৰণ বিধি বলৱৎ হ'ব। সেয়েহে আজি সন্ধিয়া ৫ বজাত কৰিমগঞ্জ জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন সংবাদ মেলৰ আয়োজন কৰি লোকসভা  নিৰ্বাচনৰ আচৰণ বিধি সম্পৰ্কে প্ৰয়োজনীয় তথ্যসমূহ দাঙি ধৰা হ'ব। কৰিমগঞ্জ লোকসভা নিৰ্বাচনৰ বাবে আচৰণ বিধি কোষৰ ভাৰপ্ৰাপ্ত উপ আয়ুক্তই এই বিষয়ে জানিবলৈ দিছে।

০০০০০০০০০

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কৈছে যে, ভাৰতীয় ৰাজনীতিত ক'লা ধনৰ প্ৰভাৱ দূৰ কৰাৰ বাবে নিৰ্বাচনী বণ্ড প্ৰৱৰ্তন কৰা হৈছিল। নিৰ্বাচনী বণ্ড সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ ৰায়ৰ প্ৰতি সন্মান জনায় বুলি উল্লেখ কৰি শ্ৰীশ্বাহে কয় যে, নিৰ্বাচনী বণ্ড সম্পূৰ্ণ ৰূপে প্ৰত্যাহাৰ কৰাৰ পৰিৱৰ্তে ইয়াৰ সংশোধন হোৱা উচিত বুলি তেওঁ ভাৱে। নতুন দিল্লীত কালি সংবাদ গোষ্ঠীয়ে আয়োজন কৰা এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি মন্ত্ৰীগৰাকীয়ে এইদৰে প্ৰকাশ কৰে।

কংগ্ৰেছৰ কথা উল্লেখ কৰি শ্ৰীশ্বাহে এই বুলি অভিযোগ কৰে যে, বিৰোধী দলৰ নেতাসকলে নগদ ধনৰ ৰূপত ৰাজনৈতিক বৰঙণি গ্ৰহণ কৰিছিল, কিয়নো তেওঁলোকে বৰঙণি এটা ক্ষুদ্ৰ অংশ দলৰ নামত জমা কৰি বাকীখিনি নিজেই হস্তগত কৰিছিল। মুঠ ২০ হাজাৰ কোটি টকাৰ নিৰ্বাচনী বণ্ডৰ ভিতৰত বিজেপিয়ে প্ৰায় ৬ হাজাৰ কোটি টকা লাভ কৰিছে বুলি উল্লেখ কৰি শ্ৰীশ্বাহে বাকী ১৪ হাজাৰ কোটি টকাৰ বণ্ড কʼলৈ গʼল বুলি প্ৰশ্ন উত্থাপন কৰে। তেওঁ কয় যে, তৃণমূল কংগ্ৰেছ দলে এহেজাৰ ৬০০ কোটি, কংগ্ৰেছে এহেজাৰ ৪০০ কোটি, বি আৰ এছে এহেজাৰ ২০০ কোটি, বিজেডিয়ে ৭৫০ কোটি আৰু ডি এম কে ৬৩৯ কোটি টকা লাভ কৰিছে।

শ্ৰীশ্বাহে কয় যে, বিজেপিয়ে ৩০৩ গৰাকীকৈ সাংসদ থকাৰ পাছতো ৬ হেজাৰ কোটি টকাহে লাভ কৰিছে আৰু বাকী দলবোৰে ২৪২ গৰাকী সাংসদ থকাৰ পাছতো ১৪ হাজাৰ কোটি টকা লাভ কৰিছে। হিচাপ-নিকাচ হোৱাৰ পিছত বিৰোধী পক্ষই জনসাধাৰণ আৰু সংবাদ মাধ্যমৰ সন্মুখীন হʼব নোৱাৰিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন সন্দৰ্ভত শ্ৰীশ্বাহে কয় যে, দেশত বাৰে বাৰে নিৰ্বাচন অনুষ্ঠিত কৰা হয় আৰু ব্যয়ো বাৰে বাৰে হয়। তেওঁ কয় যে, বাৰে বাৰে হোৱা নিৰ্বাচনৰ আচৰণ বিধিৰ বাবে উন্নয়নমূলক কাম-কাজ ব্যাহত হয়। এখন ৰাষ্ট্ৰ এটা নিৰ্বাচন ব্যৱস্থাই ইয়াৰ সমাধান বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীশ্বাহে আসন্ন লোকসভা নিৰ্বাচনত বিজেপিয়ে অকলে ৩৭০ খন আৰু এন ডি এ ৪০০ খনৰো অধিক আসন লাভ কৰিব বুলি প্ৰধানমন্ত্ৰী মোদীয়ে কৰা বিবৃতি পুনৰ প্ৰকাশ কৰে।

০০০০০০০০০

ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে যোৱানিশা দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত অনুষ্ঠিত এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছক ৫ ৰানত পৰাস্ত কৰি মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলখনত মুম্বাই ইণ্ডিয়ানছে ১৩৬ ৰানৰ বিজয় লক্ষ্যৰে খেলি নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৩০ ৰান কৰিবলৈ সক্ষম হয়। ইয়াৰ পূৰ্বে ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত ৬ উইকেটৰ বিনিময়ত ১৩৫ ৰান কৰে। বাংগালোৰৰ হৈ এলিছে পেৰীয়ে সৰ্বাধিক ৫০টা বলত ৬৬ ৰান সংগ্ৰহ কৰে। পেৰীক প্লেয়াৰ অব দ্যা মেছ হিচাপে ঘোষণা কৰা হয়।

ৰয়েল ছেলেঞ্জাৰ্ছ বাংগালোৰে কাইলৈ হʼবলগীয়া ফাইনেলত দেলহি কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব।

০০০০০০০০০

ভাৰতৰ লক্ষ্য সেনে অল ইংলেণ্ড অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ছিংগলছৰ ছেমি ফাইনেলত প্ৰৱেশ কৰিছে। বিশ্বৰ ১৮ নম্বৰ স্থানৰ লক্ষ্য সেনে যোৱানিশা বাৰ্মিংহামত অনুষ্ঠিত কোৱাৰ্টাৰ ফাইনেলত বিশ্বৰ ১০ নম্বৰ স্থানৰ মালয়েছিয়াৰ লি জি জিয়াক ২০-২২, ২১-১৬, ২১-১৯ গেমত পৰাস্ত কৰে। প্ৰথম গেমত ২০-২২ ফলাফলত পৰাজিত হোৱাৰ পাছত লক্ষ্য সেনে ২১-১৬ আৰু ২১-১৯ ফলাফলেৰে দ্বিতীয় আৰু তৃতীয় গেম হস্তগত কৰে।

লক্ষ্য সেন আজি ছেমি ফাইনেলত বিশ্বৰ ৯ নম্বৰ স্থানৰ ইন্দোনেছিয়াৰ জনাটন কিস্তিৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব।

০০০০০০০০০

দেশৰ নিৰ্বাচন আয়োগে আজি লোকসভা নিৰ্বাচন আৰু চাৰি ৰাজ্যৰ বিধানসভা নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰিব। **নিয়মীয়া বাৰ্তা** কাকতৰ লগতে আজি প্ৰকাশিত আন কাকতসমূহেও গুৰুত্বসহকাৰে এই বাতৰি প্ৰকাশ কৰিছে। কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে প্ৰকাশ কৰা তথ্য মতে বিগত ১০ দিনত গুৱাহাটীৰ বায়ু প্ৰদূষণৰ হাৰে নতুন দিল্লীকো চেৰ পেলাইছে। মহানগৰীৰ বিষাক্ত বায়ুমণ্ডলে সৰ্বসাধাৰণ জনতাৰ স্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। এই বাতৰিক **দৈনিক অগ্ৰদূত** কাকতত বিশেষ গুৰুত্ব দিয়া হৈছে। নিৰ্বাচনী বণ্ডৰ কোনো তথ্যই বাদ পৰিব নোৱাৰিব বুলি সকীয়নি দি আকৌ উচ্চতম ন্যায়ালয়ে ভাৰতীয় ষ্টেট বেংকলৈ জাননী জাৰি কৰিছে। নিৰ্বাচন আয়োগৰ এখন আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে কয় যে, ভাৰতীয় ষ্টেট বেংকে যোগান ধৰা নিৰ্বাচনী বণ্ডৰ তথ্য সম্পূৰ্ণ নহয়। **দৈনিক অসম** কাকতে এই বাতৰিক মুখ্য বাতৰিৰ স্থান দিয়াৰ লগতে **দি আছাম ট্ৰিবিউন** কাকতেও গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে, বণ্ড ক্ৰয়ৰ ক্ষেত্ৰত প্ৰথম ৩০ সংস্থাৰ ১৪টাতে চি বি আই, ই ডি আৰু আয়কৰ বিভাগে তালাচী চলোৱাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। **দৈনিক জনমভূমি** কাকতত অহা ১৯ মাৰ্চত এহেজাৰ কোটি টকাৰ ঋণ লোৱাৰ বাবে ৰাজ্য চৰকাৰে ৰিজাৰ্ভ বেংকৰ ওচৰত প্ৰস্তাৱ দাখিল কৰাৰ বাতৰি প্ৰকাশ হৈছে। দেশৰ বজাৰত ঔষধৰ দাম নিয়ন্ত্ৰণকাৰী সংস্থা নেচনেল ফাৰ্মাচিউটিকেল প্ৰাইচিং অথৰিটী চমুকৈ এন পি পি এ য়ে অহা ১ এপ্ৰিলৰ পৰা ৩৮৪ বিধ অত্যাৱশ্যকীয় ঔষধৰ দাম বৃদ্ধিৰ বাবে ফাৰ্মাচিউটিকেল কোম্পানীসমূহক সেউজ সংকেত প্ৰদান কৰিছে। কেতবোৰ থেৰাপি আৰু চিকিৎসাৰ ক্ষেত্ৰত ব্যৱহৃত আহিলাৰ দাম বৃদ্ধিৰ ক্ষেত্ৰতো কেন্দ্ৰীয় সংস্থাটোৱে যাৱতীয় অনুমতি প্ৰদান কৰিছে। **অসমীয়া খবৰ** কাকতত এই বাতৰিক গুৰুত্ব দিয়া হৈছে। বুধবাৰৰ পৰা দেশৰ শ্বেয়াৰ বজাৰত বিনিয়োগকাৰীয়ে ১৩ দশমিক ৪-৭ লাখ কোটি টকা লোকচানৰ সন্মুখীন হৈছে। এয়া **আমাৰ অসম** কাকতত প্ৰকাশিত বাতৰি। **দ্যা ছেণ্টিনেল** কাকতে সেৱা সম্বন্ধীয় সমস্যাৰ বাবে মন্ত্ৰী বিধায়কক প্ৰত্যক্ষভাৱে আবেদন কৰিলে ৰাজ্যৰ প্ৰাদেশিকৃত শিক্ষক-কৰ্মচাৰীসকলক শাস্তিৰ সন্মুখীন হ'ব বুলি মাধ্যমিক শিক্ষা সঞ্চালক মমতা হোজাইয়ে এক নিৰ্দেশনাৰ জৰিয়তে সদৰী কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

আজি প্ৰকাশিত অন্যান্য বাতৰিৰ ভিতৰত আছে – ৩ সমষ্টিত প্ৰাৰ্থী ঘোষণা এ আই ইউ ডি এফৰ, ভূপেন বৰাৰ বিৰুদ্ধে ক্ষোভ উজাৰি দল এৰিলে আব্দুল খালেকে, বৃহৎ সাংগঠনিক প্ৰস্তুতিৰে নিৰ্বাচনলৈ সাজু হৈছে বিজেপি, শোণিতপুৰ-ডিব্ৰুগড়ত প্ৰাৰ্থিত্ব আপৰ, খৰাং প্ৰতিৰোধী ছতিয়াব পৰা শালি ধানৰ জাত উদ্ভাৱন হ'ব ২০২৫ত, জ্যেষ্ঠ সাংবাদিক, যাদুকৰ ৰূপক চলিহাৰ মৃত্যু, ৬৪৫ কোটি টকাৰে ব্ৰহ্মপুত্ৰত ৰূপায়ণ হ'ব ১০টা জলপথ প্ৰকল্প, শোণিতপুৰ বিশ্বনাথ জিলাৰ ৪১ খন গাঁও বি টি আৰত অন্তৰ্ভুক্ত ইত্যাদি।

এয়াই আছিল আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতসমূহৰ প্ৰথম পৃষ্ঠাৰ বাতৰিত চমু অৱলোকন।

০০০০০০০০০

**সমাপ্ত**